# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 26-07-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN
## HEADLINES
**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দুদিনীয়া ভ্ৰমণসূচীৰে তামিলনাডুলৈ যাব আৰু কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব।

২। সন্ত্ৰাসবাদী আৰু চোৰাং কাৰবাৰীসকলক ঘূৰাই আনিবৰ বাবে দেশৰ বিধি বলৱৎকাৰী সংস্থাসমূহক ব্যৱস্থা গ্ৰহণ কৰিবলৈ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে নিৰ্দেশ দিছে।

৩। চলিত বিত্তীয় বৰ্ষত কেন্দ্ৰীয় চৰকাৰৰ অটল পেন্সন আঁচনিয়ে নতুন অভিলেখ গঢ়িবলৈ সমৰ্থ হৈছে।

৪। ১৯৯৯ চনৰ কাৰ্গিল যুদ্ধত আত্মবলিদান দিয়া ভাৰতীয় সেনাৰ সাহস আৰু ত্যাগক সন্মান জনোৱাৰ অৰ্থে আজি সমগ্ৰ দেশতে কাৰ্গিল বিজয় দিৱস উদযাপন কৰা হৈছে। *আৰু*

৫। ভাৰতৰ তাৰকা খেলুৱৈ স্বাত্বিকছাইৰাজ ৰণকীৰেড্ডী আৰু চিৰাগ ছেট্টীৰ যুটীটোৱে চাইনা অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষ ডাবলছ শাখাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দুদিনীয়া ভ্ৰমণসূচীৰে তামিলনাডুলৈ যাব। ব্ৰিটেইন আৰু মালদ্বীপৰ ভ্ৰমণ সামৰি প্ৰধানমন্ত্ৰী পোনে পোনে তুতিকৰিনলৈ যাব। তুতিকৰিনত প্ৰধানমন্ত্ৰীয়ে আজি ৪ হাজাৰ ৮০০ কোটিতকৈও অধিক পুঁজি ব্যয়েৰে নিৰ্মাণ কৰিবলগীয়া কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ লগতে কেইবাটাও প্ৰকল্প মুকলি কৰিব। এই প্ৰকল্পসমূহে আঞ্চলিক যোগাযোগ, যাতায়াতৰ সুবিধা বৃদ্ধি কৰাৰ লগতে স্বচ্ছ শক্তি আন্তঃগাঁথনি শক্তিশালী কৰা আৰু ৰাজ্যখনৰ নাগৰিকসকলৰ জীৱন ধাৰণৰ মান উন্নত কৰাৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। এই প্ৰকল্পসমূহৰ ভিতৰত তুতিকৰিন বিমান বন্দৰত নতুন টাৰ্মিনেল ভৱন, ছেথিয়াথপ্পু-ছ'লাপুৰমক চাৰিলেনযুক্ত কৰা, টুটুকুড়ী বন্দৰ পথক ছয়লেনযুক্ত কৰা, মাদুৰাই-ব'দিয়াকন্নুড় ৰে'ল লাইনৰ ৯০ কিলোমিটাৰ দৈৰ্ঘ্যৰ বৈদ্যুতিকৰণ, নাগৰকোয়েল নগৰ-কন্যাকুমাৰী খণ্ডৰ ২১ কিলোমিটাৰ দৈৰ্ঘ্যৰ দ্বৈতকৰণ অন্যতম। প্ৰধানমন্ত্ৰীয়ে কুডনকুলাম পৰমাণু শক্তি প্ৰকল্পৰ পৰা বিদ্যুৎ সৰবৰাহৰ বাবে এটা গুৰুত্বপূৰ্ণ আন্তঃৰাজ্যিক শক্তি পৰিবাহী ব্যৱস্থা প্ৰকল্পও মুকলি কৰিব। শ্ৰীমোদীয়ে কাইলৈ ছ'লা সম্ৰাট ৰাজেন্দ্ৰ ছ'লা প্ৰথমৰ জন্মবাৰ্ষিকীৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব।

আমাৰ সংবাদদাতাই জনোৱা মতে প্ৰধানমন্ত্ৰী শ্ৰীমোদী তুতিকৰিন ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত ৰাজ্যখনত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে।

ooooo

সন্ত্ৰাসবাদী আৰু চোৰাং কাৰবাৰীসকলক ঘূৰাই আনিবৰ বাবে দেশৰ বিধি বলৱৎকাৰী সংস্থাসমূহক ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। কালি নতুন দিল্লীত অনুষ্ঠিত দুদিনীয়া ৰাষ্ট্ৰীয় নিৰাপত্তা কৌশল সন্মিলন-২০২৫ উদ্বোধন কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে এই সদৰি কৰে। গৃহমন্ত্ৰী অমিত শ্বাহে কেন্দ্ৰ

আৰু ৰাজ্য চৰকাৰসমূহৰ বিধি বলৱৎকাৰী সংস্থাসমূহৰ মাজত সমন্বয়ৰ প্ৰয়োজনীয়াত গুৰুত্ব আৰোপ কৰি সন্ত্ৰাসবাদ আৰু অপৰাধীৰ মাজৰ সম্পৰ্ক ভাঙি দিয়াৰো পোষকতা কৰে। সন্ত্ৰাসবাদৰ বিত্তীয় ব্যৱস্থাৰ পৰ্যালোচনা কৰি শ্ৰীশ্বাহে সংস্থাসমূহক বিত্তীয় অনিয়মৰ দিশটো বিশ্লেষণ কৰি সন্ত্ৰাসবাদৰ আৰ্হি উন্মোচন কৰিবলৈ নিৰ্দেশ দিয়ে। সন্ত্ৰাসবাদী নেটৱৰ্কৰ যোগাযোগ ব্যৱস্থা প্ৰতিহত কৰিবলৈ সমগ্ৰ অংশীদাৰ সকলৰ এখন মঞ্চ গঠন কৰিবলৈ তেওঁ গৃহ পৰিক্ৰমা মন্ত্ৰালয়ক আহ্বান জনায়। এইক্ষেত্ৰত আৰক্ষীয়ে সংস্থাসমূহে থলুৱা প্ৰযুক্তিৰ ব্যৱহাৰ নিশ্চিত কৰিবলৈও মন্ত্ৰালয়ৰ প্ৰতি তেওঁ আহ্বান জনায়। সন্মিলনৰ প্ৰথম দিনা কালি দেশৰ স্বাৰ্থৰ ক্ষেত্ৰত পৰিপন্থী ভূমিকা গ্ৰহণ কৰা আৰু নিচাযুক্ত দ্ৰব্যৰ বাণিজ্যিৰ বাবে ঘৰুৱা সংযোগ ব্যৱহাৰ তথা বেআইনীভাৱে যোগাযোগৰ এপসমূহ আৰু শেহতীয়া প্ৰযুক্তিৰ ব্যৱহাৰ আদিৰ সন্দৰ্ভত আলোকপাত কৰা হয়। সন্মিলনৰ আজি দ্বিতীয় দিনা অসামৰিক বিমান সেৱা আৰু বন্দৰ নিৰাপত্তা, প্ৰতি সন্ত্ৰাসবাদ, বাওঁ উগ্ৰবাদ তথা নিচাযুক্ত দ্ৰব্যৰ সৰবৰাহৰ ক্ষেত্ৰত প্ৰতি ব্যৱস্থা সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব।

ooooo

চলিত বিত্তীয় বৰ্ষত কেন্দ্ৰীয় চৰকাৰৰ অটল পেঞ্চন আঁচনিয়ে নতুন অভিলেখ গঢ়িবলৈ সমৰ্থ হৈছে। এই সময়ছোৱাত আঁচনিখনৰ অধীনত ৮ কোটিতকৈও অধিক পঞ্জীয়ন হোৱাৰ লগতে অতিৰিক্ত ৩৯ লাখ লোকে এই আঁচনিৰ সুবিধা লাভ কৰিছে। উল্লেখযোগ্য যে পেঞ্চন পুঁজি নিয়ামক আৰু উন্নয়ন প্ৰাধিকৰণৰ দ্বাৰা পৰিচালিত এইখন হৈছে ভাৰতৰ ধ্বজাবাহী সামাজিক সুৰক্ষা আঁচনি। ২০১৫ চনৰ ৯ মে'ত আৰম্ভ কৰা এই আঁচনিখনে দশম বৰ্ষপূৰ্তিৰ সময়তে এই বৃহৎ সফলতা লাভ কৰিছে। ভাৰতীয় নাগৰিকৰ বাবে গোলকীয় সামাজিক সুৰক্ষা ব্যৱস্থাৰ সুবিধা প্ৰদান কৰাৰ লক্ষ্যৰে আৰম্ভ কৰা এই আঁচনিয়ে দৰিদ্ৰ, পিছপৰা জনসাধাৰণ আৰু অসংগঠিত খণ্ডৰ শ্ৰমিকসকলৰ উন্নয়নত গুৰুত্ব আৰোপ কৰি আহিছে।

ooooo

১৯৯৯ চনৰ কাৰ্গিল যুদ্ধত আত্মবলিদান দিয়া ভাৰতীয় সেনাৰ সাহস আৰু ত্যাগক সন্মান জনোৱাৰ অৰ্থে আজি সমগ্ৰ দেশতে কাৰ্গিল বিজয় দিৱস উদযাপন কৰা হৈছে। পাকিস্তান আৰু ভাৰতৰ মাজত হোৱা সংঘাতৰ পৰিণতিত বিজয় অভিযানৰ জৰিয়তে ভাৰতে কাৰ্গিল যুদ্ধত পাকিস্তানৰ বিৰুদ্ধে জয়লাভ কৰা আজি ২৬ বছৰ পূৰ্ণ হৈছে। ভাৰতীয় সেনাই বিজয় অভিযানৰ জৰিয়তে পাকিস্তানৰ সেনাই অকৰ্তৃত্বশীলভাৱে দখল কৰি থকা জম্মু-কাশ্মীৰৰ কাৰ্গিল ভূমিক উদ্ধাৰ কৰিছিল।

ooooo

ভাৰতে কালি মালদ্বীপৰ সৈতে কৃষি আৰু মীন পালন, ভাৰতীয় ফাৰ্মাক'পিয়াৰ ডিজিটেল সমাধান আৰু স্বীকৃতি সন্দৰ্ভত চাৰিখন বুজাবুজিৰ চুক্তি আৰু আন তিনিখন চুক্তিত স্বাক্ষৰ কৰে। ইয়াৰ উপৰি ভাৰতে মালদ্বীপলৈ ৪ হাজাৰ ৮৫০ কোটি টকাৰ সুদবিহীন ঋণ আগবঢ়াইছে। দুয়োখন দেশৰ মাজত ভাৰত-মালদ্বীপ মুক্ত বাণিজ্য চুক্তিৰ প্ৰাসঙ্গিক নীতি-নিয়মসমূহো আলোচনা কৰা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মালদ্বীপৰ ৰাষ্ট্ৰপতি ড০ মহম্মদ মুইজ্জুৱে কালি দেশখনৰ ৰাজধানী মালেৰ ৰাষ্ট্ৰপতিৰ কাৰ্য্যালয়ত প্ৰতিনিধি পৰ্য্যায়ৰ বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকত শ্ৰীমোদীৰ লগতে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্‌ জয়শংকৰ, ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা অজিত দোভাল আৰু দুয়োখন দেশৰে কেইবাগৰাকীও জ্যেষ্ঠ বিষয়াই ভাগ লয়। ইয়াৰ পূৰ্বে দ্বিদেশীয় ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত মালদ্বীপৰ ৰাজধানী মালেত উপস্থিত হোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক মালদ্বীপৰ ৰাষ্ট্ৰপতি ড০ মহম্মদ মুইজ্জুৱে ভেলেনা আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত আদৰণি

জনায়। বৈঠকত দুয়োগৰাকী নেতাই পাৰস্পৰিক স্বাৰ্থজড়িত বিভিন্ন বিষয়ৰ আলোচনাত মিলিত হয়। তেওঁলোকে অৰ্থনৈতিক আৰু সামুদ্ৰিক সুৰক্ষা অংশীদাৰিত্বৰ ক্ষেত্ৰত ভাৰত-মালদ্বীপৰ যুটীয়া দৃষ্টিভংগী ৰূপায়ণৰ অগ্ৰগতিৰ বুজ লয়।

শ্ৰীমোদীয়ে আজি মালদ্বীপৰ স্বাধীনতাৰ ৬০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে আয়োজন কৰা অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰিব।

০০০০০

বৈদেশিক পৰিক্ৰমা ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই অবৈধ বিত্তীয় প্ৰৱাহ আৰু সামাজিক সুৰক্ষাৰ বিৰুদ্ধে দক্ষিণ আফ্ৰিকাৰ আম্পু মালাংগাত অনুষ্ঠিত জি টুৱেণ্টি উন্নয়ন মন্ত্ৰীসকলৰ প্ৰথমখন অধিৱেশনত কালি অংশগ্ৰহণ কৰে। সামাজিক সুৰক্ষাৰ ক্ষেত্ৰত ভাৰতে লাভ কৰা সৰ্বাত্মক সফলতাত আলোকপাত কৰি শ্ৰীমাৰ্ঘেৰিটাই বহনক্ষম অৰ্থনৈতিক ব্যৱধান দূৰ কৰাৰ প্ৰয়োজনীয়তাতো গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে দক্ষিণ ভাৰতৰ পৰিকল্পনা, নিৰীক্ষণ আৰু পৰ্য্যালোচনা দপ্তৰৰ মন্ত্ৰীক সাক্ষাৎ কৰি দক্ষিণ আফ্ৰিকাৰ ৰাষ্ট্ৰপতিৰ অগ্ৰাধিকাৰৰ প্ৰতি ভাৰতৰ সমৰ্থন প্ৰকাশ কৰে আৰু খনিজ পদাৰ্থ আৰু ঋণৰ স্থায়িত্বত গুৰুত্ব আৰোপ কৰে।

০০০০০

শেহতীয়া পৰীক্ষাত আপত্তিজনক সামগ্ৰী ব্যৱহাৰ কৰাৰ অভিযোগত কেন্দ্ৰীয় লোকসেৱা আয়োগে এগৰাকী প্ৰাৰ্থীক তিনিবছৰৰ বাবে সকলো ধৰণৰ পৰীক্ষা আৰু নিৰ্বাচন প্ৰক্ৰিয়াৰ পৰা বহিষ্কাৰ কৰা হৈছে। কেন্দ্ৰীয় লোকসেৱা আয়োগৰ অধ্যক্ষ ড০ অজয় কুমাৰে এই বিষয়ে সদৰি কৰি কয়, যে আয়োগে পৰীক্ষা প্ৰক্ৰিয়া সংহত, নিকা আৰু স্বচ্ছ কৰাৰ ক্ষেত্ৰত উপযুক্ত মান বজাই ৰখাত দৃঢ়ভাৱে প্ৰতিজ্ঞাবদ্ধ। তেওঁ কয়, যে যদিহে কোনো প্ৰাৰ্থীক পৰীক্ষাৰ সময়ত অনৈতিক কাৰ্যত জড়িত হোৱাৰ প্ৰমাণ পোৱা যায় তেতিয়াহ'লে সেই প্ৰাৰ্থীগৰাকীক বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে ভৱিষ্যতলৈও তেওঁক পৰীক্ষাৰ পৰা বহিষ্কাৰ কৰা হ'ব পাৰে। তেওঁ লগতে কয়, যে চৰকাৰী সেৱাসমূহত নিযুক্তিৰ ক্ষেত্ৰত পৰীক্ষা প্ৰক্ৰিয়াত এইধৰণৰ ব্যৱস্থা গ্ৰহণৰ প্ৰয়োজনীয়তা আছে। অধ্যক্ষগৰাকীয়ে লগতে কয়, যে কেন্দ্ৰীয় লোকসেৱা আয়োগ হৈছে মেধা আৰু স্বচ্ছ ব্যৱস্থাৰ প্ৰতীক আৰু যিকোনো পৰিৱেশ-পৰিস্থিতিৰ পৰা অহা উপযুক্ত প্ৰাৰ্থীয়ে আয়োগৰ পৰীক্ষাত মেধাৰ ভিত্তিত নিৰ্বাচিত হয়।

০০০০০

০০০০০

ভাৰতৰ তাৰকা খেলুৱৈ স্বাত্বিকছাইৰাজ ৰণকীৰেড্ডী আৰু চিৰাগ ছেট্টীৰ যুটীটোৱে চাইনা অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষ ডাবলছ শাখাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। ছাংঝ'ত কালি অনুষ্ঠিত কোৱাৰ্টাৰ ফাইনেলত বিশ্বৰ তিনি নম্বৰ স্থানৰ যুটীটোৱে মালয়ছিয়াৰ অং ইউ চিন আৰু টেউ ই য়িক ২১-১৮, ২১-১৪ পোনপটীয়া গেমত পৰাস্ত কৰি ছেমি ফাইনেলত স্থান নিশ্চিত কৰে। ভাৰতৰ যুটীটোৱে আজি হ'বলগীয়া খেলত বিশ্বৰ দ্বিতীয় স্থানৰ যুটী মালয়ছিয়াৰ আৰ'ন চিয়া আৰু ছ'হ উই য়িকৰ বিৰুদ্ধে খেলিব। ইপিনে ভাৰতৰ ১৭ বছৰীয়া খেলুৱৈ উন্নাতি হুডাই মহিলাৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত বিশ্বৰ চাৰিনম্বৰ খেলুৱৈ জাপানৰ আকানী য়ামাগুচ্চিৰ হাতত পৰাস্ত হয়। খেলুৱৈগৰাকী প্ৰি-কোৱাৰ্টাৰ ফাইনেলত দুবাৰৰ অলিম্পিক বিজয়ী পি ভি সিন্ধুক পৰাস্ত কৰিছিল।

০০০০০

এণ্ডাৰ্ছন-তেণ্ডুলকাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেলত কালি ৭টা উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ৫৪৪ ৰানৰ পৰা আজি ইংলেণ্ডে চতুৰ্থ দিনা প্ৰথম ইনিংছৰ খেল পুনৰ আৰম্ভ কৰিব। দলটোৱে কালি ১৮৬ ৰানৰ অগ্ৰগতি লাভ কৰি আছিল। কালি খেল সামৰণি কৰাৰ সময়ত বেন ষ্টকছ্ আৰু লিয়াম ড'ছনে বেট ধৰি আছিল। ইংলেণ্ডৰ তাৰকা খেলুৱৈ জ' ৰুটে ২৪৮টা বলত ১৫০ ৰান কৰি টেষ্ট ক্ৰিকেটৰ ইতিহাসত দ্বিতীয় সৰ্বাধিক ৰান কৰা খেলুৱৈ হিচাপে পৰিগণিত হৈছে। খেলুৱৈগৰাকীয়ে অষ্ট্ৰেলিয়াৰ ৰিকি পইণ্টিঙৰ ১৩ হাজাৰ ৩৭৮ ৰান অভিলেখো ভংগ কৰে।

এই পাঁচখনীয়া খেলৰ টেষ্ট শৃংখলাত ইংলেণ্ড ১-২ ফলাফলত আগবাঢ়ি আছে।

ooooo

সমাপ্ত